**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-03-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনাত ভূমিকম্প, বান, গৰা খহনীয়া, নগৰীয়া বান, ভূমিস্খলন, খৰাং, ঘূৰ্ণী বতাহ আৰু ধুমুহা, গ্ৰীষ্প প্ৰৱাহ, বিজুলী ঢেৰেকণি আৰু বজ্ৰপাত, বনজুই, জৈৱিক আৰু জনস্বাস্থ্য জৰুৰীকালীন অৱস্থা, ৰাসায়নিক, পাৰমাণৱিক আৰু ৰেডিঅ'ল'জিকেল জৰুৰীকালীন অৱস্থাক দুৰ্যোগ হিচাপে স্বীকৃতি দিছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি বিধানসভাত বিধায়ক মনোৰঞ্জন তালুকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে।

০০০০০০০০

চলিত বৰ্ষৰ পহিলা জানুৱাৰীৰ পৰা ৫ মাৰ্চলৈ ৰাজ্যত সৰ্প দংশনৰ ফলত কোনো লোকৰ মৃত্যু হোৱা নাই। ইয়াৰ পৰিৱৰ্তে বিগত বৰ্ষৰ ১ এপ্ৰিলৰ পৰা ৩১ ডিচেম্বৰলৈকে সৰ্প দংশনৰ ফলত ৰাজ্যত ৩২ জন লোকৰ মৃত্যু হৈছিল। বিধানসভাত আজি বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে এই কথা প্ৰকাশ কৰি কয়, যে প্ৰতিখন জিলাৰ ড্ৰাগছ ষ্টৰত বৰ্তমান এণ্টি ভেনম পৰ্যাপ্ত পৰিমাণে উপলব্ধ আছে। সৰ্প দংশনৰ চিকিৎসাৰ বাবে তৃণমূল পৰ্যায়ত অধিক সংখ্যক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৰোগী আৰু ইয়াৰ সম্ভাৱনীয়তাৰ ভিত্তিত এণ্টি ভেনম উপলব্ধ কৰা হ'ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ বাবে প্ৰথমে চিনাক্ত কৰা চিকিৎসালয়সমূহৰ চিকিৎসক আৰু কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০০০

হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ অধীনত ৰাজ্যত বৰ্তমান ৩৩৯ খন চৰকাৰী ৰেচম পাম আছে। বিধানসভাত আজি হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই এই তথ্য প্ৰকাশ কৰে। তেওঁ কয় যে, বৰ্তমান চৰকাৰী খণ্ডৰ সাধাৰণ এলেকাৰ ভিতৰত ২০৩ খন আৰু বিটিচি, কাৰ্বি আংলং আৰু ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ এলেকাত ১৩৬ খন ৰেচম পাম আছে। ইয়াৰে ১২১ খন হৈছে এড়ি পাম, ৮৬ খন মুগা পাম, ১২৭ খন পাট-পলু পাম আৰু ৫ খন টছৰ পাম। ৰাজ্যৰ ৫৩৬ দশমিক ১ - ৫ হেক্টৰ অব্যৱহৃত মাটিত পলুৰ খাদ্য বৃক্ষ ৰোপণৰ বাবে বিভিন্ন বিভাগৰ সৈতে ৰেচম বিভাগে আঁচনি ৰূপায়ণৰ পৰিকল্পনা কৰিছে বুলি বিভাগীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কালাপাহাৰ ৰাধা গোবিন্দ বৰুৱা পথ, ডঃ ভূপেন হাজৰিকা পথ আৰু মৰা ভৰলু নৈৰ ওপৰত নিৰ্মাণ কৰা পকী দলঙৰ উদ্বোধন কৰিব। ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ সহায়ত প্ৰকল্পকেইটা নিৰ্মাণ কৰা হৈছে। ১৫ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পৰ জৰিয়তে - বৰ্ষাপাৰা ষ্টেডিয়াম, কালাপাহাৰ, ফটাশিল, কলনী বজাৰৰ পৰা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী বিকল্প পথৰ সুবিধা সৃষ্টি হ'ব। তদুপৰি বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত ক্ৰিকেট খেলৰ সময়ত হোৱা যান-জঁটৰ সমস্যা হ্ৰাস পোৱাৰ লগতে ষ্টেডিয়ামৰ প্ৰৱেশ দ্বাৰলৈ সংযোগ ব্যৱস্থা সু-শৃংখলিত হৈ উঠিব বুলিও আশা কৰা হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াও উপস্থিত থকাৰ কথা।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ ধাৰাপুৰত মজলী-ৰাণী চাপৰি সংযোগী ভাসমান সেতু আৰু ৰাণী চাপৰিৰ বৈদ্যুতিকীকৰণ ব্যৱস্থাৰ আধাৰশিলা স্থাপন কৰিব। মজলী-ৰাণী চাপৰি সংযোগী সেতুখনে সুশৃংখলিত যোগাযোগত যাত্ৰাৰ সময় আৰু পৰিবহন ব্যয় হ্ৰাস কৰাৰ লগতে কৃষি কৰ্ম আৰু থলুৱা অৰ্থনীতি বৃদ্ধি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। আনহাতে, ৰাণী চাপৰিৰ বৈদ্যুতিকীকৰণ ব্যৱস্থাই প্ৰায় ৪০০টা পৰিয়ালক প্ৰত্যক্ষভাৱে উপকৃত কৰিব। ৪ হাজাৰ বিঘা ভূমি এলেকা সামৰিবলগীয়া এই বৈদ্যুতিকীকৰণ ব্যৱস্থাই জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিব। আজিৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ লগতে শক্তি, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনো উপস্থিত থাকিব বুলি জানিব পৰা গৈছে।

০০০০০

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০০০০

সমাপ্ত